অসমীয়া আখৰৰ জোঁটনিত

**ব্যঞ্জন বৰ্ণৰ প্ৰভাৱ ঃ**

অসমীয়া ভাষাৰ আখৰ জোঁটনিৰ ক্ষেত্ৰত স্বৰবৰ্ণতকৈ ব্যঞ্জনবৰ্ণই অধিক সমস্যাৰ সৃষ্টি কৰে। য় আৰু ৱ-ক বাদ দি অসমীয়া ভাষাত এঁকৈশটা বিশিষ্ট ব্যঞ্জনবৰ্ণ নিৰ্দিষ্ট কৰা হৈছে। এই এঁকৈশটা বৰ্ণ বুজাবলৈ অসমীয়া বৰ্ণমালাত ৪০ (চল্লিছ)টা আখৰ আছে।

লিপিমালাৰ কণ্ঠ্যবৰ্গ ক খ গ ঘ ঙ আৰু ঔষ্ঠ্যবৰ্গ প ফ ব ভ ম—এই আখৰকেইটাৰ উচ্চাৰণ বা লিপিৰ ক্ষেত্ৰত বিশেষ সমস্যা নাই। মূৰ্ধন্য আৰু দন্ত্যবৰ্গৰ আখৰবোৰ বিশিষ্ট বৰ্ণৰূপে অসমীয়া ভাষাত উচ্চাৰিত নহয়। সেয়ে লিখোঁতে দুয়োটা বৰ্গৰ আখৰ খেলিমেলিকৈ ব্যৱহাৰ হয়। টকা, টুটকীয়া, তগৰ, ডলা, দৰা, ঢেঁকীয়া, ধুনীয়া ইত্যাদি শব্দৰ উচ্চাৰণত দুয়োবৰ্গৰ আখৰৰ একো পাৰ্থক্য নাথাকে। গতিকে লিখাৰ সময়ত আখৰ জোঁটনিত আখৰৰ ব্যৱহাৰৰ সমস্যা আছে।

চ, ছ, জ, ঝ, ঞ—তালব্য বৰ্গৰ এই আখৰকেইটাৰ মৌলিক উচ্চাৰণ অসমীয়া ভাষাত নাই। ইহঁতৰ উচ্চাৰণ তালুত হ'ব লাগে। কিন্তু উচ্চাৰণ সঠিক নোহোৱাত লিখোঁতে সমস্যা হয়। বিশেষকৈ চ আৰু ছ-ৰ উচ্চাৰণত অলপো তাৰতম্য নঘটে। একেদৰে ঞ-টো য় হিচাপে উচ্চাৰিত হোৱাৰ বাবে চিঞৰ, চিঞাহী, গোহাঞি ইত্যাদি শব্দ বৰ্তমান চিয়ঁৰ, চিয়াঁহী, গোহাঁই এই ৰূপত লিখিবলৈ লোৱা হৈছে আৰু অভিধানেও এই ৰূপক স্বীকৃতি দিছে; কিন্তু ভূঞা, গঞা, মিঞা ইত্যাদি শব্দত ঞ- ৰ ঠাইত য় লিখা নহয়।

**স, শ, ষ আৰু হ-ৰ ব্যৱহাৰ ঃ**

**স-ৰ ব্যৱহাৰ ঃ**

(১) অঃ, আঃ ধ্বনি থাকিলে বিসৰ্গৰ ঠাইত স বহে। উদাহৰণ স্বৰূপে—
নমঃ + কাৰ = নমস্কাৰ, তেজঃ + ক্ৰিয় = তেজস্ক্ৰিয়

(২) দুটা শব্দৰ প্ৰথমটোৰ শেষত বিসৰ্গ আৰু দ্বিতীয়টোৰ আৰম্ভণিত ট/ঠ আৰু ত/থ থাকিলে সন্ধিৰ ফলত বিসৰ্গৰ ঠাইত স হয়। যেনে—
মনঃ + তাপ = মনস্তাপ।

(৩) কিছুমান শব্দৰ শেষত বিশেষ্য ৰূপত শ থাকিলেও বিশেষণ ৰূপত সেইবোৰ ষ্ট হয়। কিন্তু বিশেষ্য ৰূপত স থাকিলে বিশেষণ ৰূপত সেইবোৰ স্ত হয়। যেনে—ক্লেশ—ক্লিষ্ট, আনহাতে, অভ্যাস—

অভ্যস্ত ইত্যাদি।

(৪) স্তান আৰু স্থান শব্দ ব্যৱহাৰতো কেতিয়াবা সমস্যাই দেখা দিয়ে। দুয়োটাই সমাৰ্থক শব্দ যদিও স্তান মূলতঃ ফাৰ্চী শব্দ। গতিকে পাকিস্তান, আফগানিস্তান, কবৰ-ই-স্তান লিখা হয়। অৱশ্যে কবৰস্থান শব্দহে লিখা হয়।

(৫) সংস্থা বা সস্থা দুয়োটাই ব্যৱহাৰ কৰা হয়। সংস্থা তৎসম শব্দ। সস্থা শব্দ সংস্থাৰ পৰাই ওলোৱা এটা তদ্ভৱ শব্দ।

**শ-ৰ ব্যৱহাৰ ঃ**

দুটা শব্দৰ প্ৰথমটোৰ শেষত বিসৰ্গ আৰু দ্বিতীয়টোৰ আৰম্ভণিত চ বা ছ থাকিলে সন্ধিৰ ফলত বিসৰ্গৰ ঠাইত শ হয়। যেনে—নিঃ+চল=নিশ্চল, নিঃ+ছিদ্ৰ=নিশ্ছিদ্ৰ ইত্যাদি। অৱশ্যে, পৰিচ্ছেদ শব্দত ব্যতিক্ৰম হয়।

**ষ-ৰ ব্যৱহাৰ**

শ আৰু স-ৰ ব্যৱহাৰতকৈ ষ-ৰ ব্যৱহাৰৰ ক্ষেত্ৰত অধিক সাৱধানতা অৱলম্বন কৰিব লগা হয়। নিত্য ষ-যুক্ত শব্দসমূহৰ বাহিৰে ষ ব্যৱহাৰৰ বাবে পালন কৰিবলগীয়া বিধিকেইটাক 'ষত্ববিধি' বুলি কোৱা হয়। ষত্ববিধিৰ নিয়মসমূহ এনেধৰণৰ—

(ক) ট-বৰ্গৰ বৰ্ণৰ লগত যুক্ত হ'লে ষ হয়। যেনে— কষ্ট, দুষ্ট, ওষ্ঠ ইত্যাদি।

(খ) ই-কাৰান্ত আৰু উ-কাৰান্ত উপসৰ্গৰ পাছত থকা স্থা, সিধ্, মিচ্, লস্ আদি ধাতুৰ স ষ হয়। যেনে— প্ৰতিষ্ঠা, নিষেধ, অভিলাষ, নিষাদ ইত্যাদি।

(গ) ভূমি, গো, অংগু শব্দৰ পিছত ষ হয়। যেনে— ভূমিষ্ঠ, গোষ্ঠ, অংগুষ্ঠ ইত্যাদি।

(ঘ) সু আৰু বি উপসৰ্গৰ পিছত সম শব্দৰ স ষ হয়। যেনে— সুষম, বিষম।

(ঙ) প্ৰত্যয় যোগ হ'লে হবিস্ আৰু চাক্ষুস্ শব্দৰ স ষ হয়। যেনে— হবিষ্য, চাক্ষুষ।

(চ) দুটা শব্দৰ প্ৰথমটোৰ শেষত অঃ ধ্বনিৰ বাহিৰে আন বিসৰ্গান্ত ধ্বনি থাকিলে আৰু দ্বিতীয়টোৰ আদ্য বৰ্ণ ক/খ/প/ফ হ'লে দুয়োটা শব্দৰ সন্ধিৰ ফলত বিসৰ্গৰ ঠাইত ষ হয়। যেনে— আবিঃ + কাৰ = আবিষ্কাৰ,

নিঃ + পত্তি = নিষ্পত্তি। অৱশ্যে অঃ আৰু আঃ ধ্বনি থাকিলে বিসৰ্গৰ ঠাইত স-হে হয়। যেনে— নমঃ + কাৰ = নমস্কাৰ, তেজঃ + ক্ৰিয়=তেজস্ক্ৰিয়।

**হ-ৰ ব্যৱহাৰ ঃ**

কিছুমান তৎসম শব্দ তদ্ভৱ ৰূপলৈ আহিলে শ, ষ, স-ৰ ঠাইত কেতিয়াবা হ হয়। যেনে—দশ—দহ, বিষ—বিহ, হাস্য—হাঁহি ইত্যাদি। অৱশ্যে, এই নিয়ম সকলোতে প্ৰযোজ্য নহয়।

**ৱ আৰু ব-ৰ ব্যৱহাৰ ঃ**

ৱ আৰু ব-ৰ ব্যৱহাৰেও অসমীয়া আখৰ জোঁটনিত প্ৰভাৱ পেলাইছে। অসমীয়া ভাষাত ৱ বৰ্ণ থাকিলেও শব্দৰ আৰম্ভণি আৰু যুক্ত ব্যঞ্জনত ইয়াক ব্যৱহাৰ কৰা নহয়।

(ক) মূল সংস্কৃত শব্দত স্বৰান্ত ৱ থাকিলে তৎসম শব্দত উচ্চাৰণলৈ চাই ৱ লিখা উচিত। যেনে— গোবিন্দ—গোৱিন্দ, আবিষ্কাৰ—আৱিষ্কাৰ, পৰিবৰ্তন—পৰিৱৰ্তন ইত্যাদি।
আনহাতে আবদ্ধ, প্ৰবন্ধ, প্ৰবল, অবোধ, বিবুদ্ধি ইত্যাদি কিছুমান শব্দত ৱ লিখিব নোৱাৰি।

(খ) দুটা তৎসম শব্দত প্ৰথমটোৰ শেষত উ/ঊ/ও/ঔ থাকিলে আৰু দ্বিতীয়টোৰ আদ্যবৰ্ণ আন কোনো স্বৰবৰ্ণ হ'লে সন্ধিৰ ফলত উ/ঊ/ও/ঔ-ৰ ঠাইত ৱ হয়। যেনে— অনু+এষণা=অন্বেষণা, নৌ+ইক =নাৱিক ইত্যাদি।

(গ) কিছুমান যুক্ত ব্যঞ্জনত স্বাভাৱিকতে ৱ থাকে। অৱশ্যে অধিক সংখ্যক লোকেই ব-হে ভুলকৈ লিখে। যেনে— সত্ত্বা, উজ্জ্বল, স্বত্ব, উদ্বোধন, সান্ত্বনা ইত্যাদি।

(ঘ) কিছুমান শব্দত স্বাভাৱিকতে দুটা ক যোগ হয় যদিও কিছুসংখ্যক তৎসম শব্দত ক-ৰ লগত ৱ যোগ হয়। যেনে—পৰিপক্ক, ক্বচিৎ ইত্যাদি। কিন্তু বৃক্ক, মক্কা আদিত দুটা ক থাকে।

**ণ আৰু ন-ৰ ব্যৱহাৰ ঃ**

ণ আৰু ন-ৰ ব্যৱহাৰৰ ক্ষেত্ৰতো অসমীয়া ভাষাত লিখোঁতে নানা সমস্যাৰ সন্মুখীন হ'ব লগা হয়। ন-যুক্ত শব্দৰ তুলনাত ণ-যুক্ত শব্দৰ সংখ্যা

কম। নিত্য ণ-যুক্ত শব্দসমূহৰ বাহিৰে ণ ব্যৱহাৰৰ বাবে পালন কৰিবলগীয়া নিয়মকেইটাক 'ণত্ববিধি' বুলি কোৱা হয়। নিয়মসমূহ এনেধৰণৰ—

(ক) ঋ, ৰ, ষ-ৰ পিছত সদায় ণ হয়। যেনে— ঋণ, ঘৃণা, কিৰণ, ব্যাকৰণ, বিশ্লেষণ, আকৰ্ষণ ইত্যাদি।

(খ) যদি কোনো শব্দত ঋ, ৰ, ষ-ৰ পিছত ক-বৰ্গ, প-বৰ্গ, আৰু য/ৱ/য়/হ—এই বৰ্ণকেইটাৰ এটা বা ততোধিক বৰ্ণ থাকে তেতিয়া ণ হয়। যেনে— তৰ্পণ, শ্ৰাৱণ, কৃপণ, ৰামায়ণ, আৰোহণ ইত্যাদি।

(গ) ট-বৰ্গৰ কোনো বৰ্ণৰ লগত যুক্ত হ'লে ণ হয়। যেনে—ঘণ্টা, কণ্ঠ, দণ্ড ইত্যাদি।

(ঘ) প্ৰ, পূৰ্ব, অপৰ আদিৰ পিছত থকা অহ্ন শব্দৰ ন ণ হয়। যেনে— পূৰ্বাহ্ণ, অপৰাহ্ণ ইত্যাদি।

কিন্তু ইয়াত দেখুওৱাৰ দৰে নিৰ্দিষ্ট বৰ্ণবোৰৰ বাহিৰে ঋ, ৰ, ষ-ৰ পিছত আন বৰ্ণ (চ-বৰ্গৰ বৰ্ণ; ত/থ/দ/ধ আৰু শ/স) থাকিলে ন অপৰিবৰ্তিত থাকে। যেনে—অৰ্চনা, অৰ্জুন, প্ৰাৰ্থনা, মৰ্দন, মূৰ্ধন্য, নিৰসন ইত্যাদি। একেদৰে, ন-বৰ্গৰে আৰম্ভ হোৱা কোনো শব্দৰ আগত দুঃ(দুৰ্) উপসৰ্গ বা ৰ-যুক্ত আন শব্দ যোগ হ'লেও ন অপৰিবৰ্তিত হৈ থাকে। যেনে—দুৰ্নাম, সৰ্বনাম, ত্ৰিনয়ন ইত্যাদি। দুটা শব্দৰ সন্ধি হওঁতে প্ৰথমটোৰ শেষত ৎ আৰু দ্বিতীয়টোৰ আৰম্ভণিত ম থাকিলে সন্ধিৰ ফলত ৎ-ই ন-ৰ ৰূপ পায়। যেনে—সৎ+মতি=সন্মতি, উৎ+নয়ন=উন্নয়ন। কিন্তু, মৃৎ+ময়=মৃণ্ময়হে হয়, মৃন্ময় নহয়, কিন্তু তন্ময় হয়।